জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫৯/২০২০

## ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত মৰিগাঁও জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৬ এপ্ৰিল ঃ** মৰিগাঁও জিলাত ক'ৰণা সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৰিগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয় সভা কক্ষত এক বৈঠকত মিলিত হয়।

বৈঠকত জিলা উপায়ুক্ত গৰাকীয়ে ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ৰণা ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে অতি তৎপৰতাৰে দিনে নিশাই সেৱা আগবঢ়াই আহিছে। স্বাস্থ্য বিভাগৰ এই লোকসকলক আমি সকলোৱে উৎসাহ যোগাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত ব্যৱস্থাৱলী সম্পৰ্কত পৰ্যালোচনা কৰা হয়। নিত্যপ্ৰয়োজনীয় সামগ্ৰীসমূহ যাতে জনসাধাৰণে লাভ কৰি থাকে আৰু কোনো ব্যৱসায়ীয়ে যাতে মূল্যবৃদ্ধি কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰে।

আজিৰ এই বৈঠকত স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীয়ুষ হাজৰিকা, বিধায়ক ৰমাকান্ত দেউৰী, উপায়ুক্ত ঋতুৰাজ বৰা, আৰক্ষী অধীক্ষক প্ৰমুখ্যে জিলাৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**সুঃনাঃ / পুঃডেঃ / বীঃগঃ**
**৬/৪/২০২০**